## উন্নত পদ্ধতিৰে পিঁয়াজৰ খেতি

চাহিদা আৰু ইয়াৰ বিপৰীতে উৎপাদন, এই দুয়োটা দিশেৰেই অসমৰ কৃষকৰ বাবে পিঁয়াজৰ খেতি অৰ্থনৈতিকভাৱে যথেষ্ট লাভজনক। অসমৰ মাটি বিশেষকৈ প্ৰচুৰ জৈৱ পদাৰ্থ থকা। নৈপৰীয়া, বালিচহীয়া, পলসুৱা মাটি পিঁয়াজ খেতিৰ বাবে উপযোগী। পিঁয়াজ খেতি কৰা মাটিত পানী ওলাই যোৱাৰ সুব্যৱস্থা থাকিব লাগে। মাটিৰ অম্লতা ৫.৫-৬.৫ হ'ব লাগে।

## অনুমোদিত জাত

এগ্ৰিফাউণ্ড লাইট ৰেড, পুচা ৰেড, পুচা ৰত্নাকৰ, পুচা হোৱাইট (ৰাউণ্ড), পুচা হোৱাইট (ফ্লেট), এন-৫৩, পাঞ্জাব ৰেড ৰাউণ্ড, পুচা মাধুৰী, আৰ্ক্ৰা নিকেটন আদি।

## জাতৰ চমু বিৱৰণ

**এগ্ৰিফাউণ্ড লাইট ৰেড ঃ** আকাৰ প্ৰায় গোলাকাৰ। বাকলি পাতল। কঠীয়া ৰোৱাৰ পৰা ১১০ দিনৰ ভিতৰত পূৰঠ হয়। প্ৰতি বিঘাত উৎপাদন ২৬ কুইণ্টলতকৈ অধিক।

**পুচা ৰেড ঃ** গছবোৰ ৩০ চেণ্টিমিটাৰ ওখ হয়। মধ্যমীয়া আকৃতিৰ পিঁয়াজবোৰ দেখাত চেপেটা-ঘূৰণীয়া ধৰণৰ, পূৰৈ-ৰঙা বৰণীয়া আৰু চোকা ভাবটো কম। কঠীয়া ৰোৱাৰ পৰা ১২৫-১৪০ দিনৰ ভিতৰত পূৰঠ হয়।

**পুচা ৰত্নাকৰ ঃ** গছবোৰ ৩০ ছেণ্টিমিটাৰ ওখ হয়। পাতবোৰ ডাঠ সেউজীয়া। আকাৰ চেপেটাৰ পৰা গোলাকাৰ। বৰণ ডাঠ বগী-তাম আৰু ৰঙা বৰণীয়া আভাসযুক্ত। কঠীয়া ৰোৱাৰ পৰা প্ৰায় ১২৫ দিনৰ ভিতৰত পূৰঠ হয়। উৎপাদন প্ৰতি বিঘাত প্ৰায় ৬৬.৬ কুইণ্টল।

**পুচা হোৱাইট (ৰাউণ্ড) ঃ** পিঁয়াজৰবোৰৰ আকৃতি ঘূৰণীয়া, চেপেটা-ঘূৰণীয়া। গড় উৎপাদন প্ৰতি বিঘাত ৪০ কুইণ্টল।

**পুচা হোৱাইট (ফ্লেট) ঃ** বৰণ বগা। আকাৰ মধ্যমীয়াৰ পৰা ডাঙৰ। চেপেটা-ঘূৰণীয়া আকৃতিৰ। কঠীয়া ৰোৱাৰ পৰা ১৩০-১৫০ দিনৰ ভিতৰত পূৰঠ হয়। প্ৰতি বিঘাত উৎপাদন প্ৰা ৬৬.৬৬ কুইণ্টল।

**এন ৫৩ ঃ** বৰণ উজ্জ্বল ৰঙা। কঠীয়া ৰোৱাৰ পৰা ১২১-১৪০ দিনৰ ভিতৰত পূৰঠ হয়। উৎপাদন প্ৰতি বিঘাত প্ৰায় ২৬ কুইণ্টল।

**পাঞ্জাব ৰাউণ্ড ৰেড ঃ** আকাৰ ঘূৰণীয়া। বাকলি উজ্জ্বল ৰঙা বৰণীয়া। কঠীয়া ৰোৱাৰ পৰা প্ৰায় ১২০ দিনৰ ভিতৰত পূৰঠ হয়। উৎপাদন প্ৰতি বিঘাত ২৬ কুইণ্টলৰ অধিক।

**পুচা মাধৰী ঃ** আকাৰ ঘূৰণীয়া। বাকলিবোৰ পাতল ৰঙা বৰণীয়া। কঠীয়া ৰোৱাৰ পৰা প্ৰায় ১২৫ দিনৰ ভিতৰত পূৰঠ হয়। উৎপাদন প্ৰতি বিঘাত ২৯ কুইণ্টলৰ অধিক।

## কঠীয়াতলীত পুলি প্ৰস্তুতি

১। পানী ওলাই যোৱাৰ সুব্যৱস্থা থকা, ৰ'দ ঘাই, প্ৰচুৰ জৈৱ পদাৰ্থযুক্ত জুৰজুৰীয়া পাতল মাটি কঠীয়াতলীৰ বাবে নিৰ্বাচন কৰক।

২। মাটিডৰা মিহিকৈ চহাই ১ মিটাৰ বহল, সুবিধা অনুসৰি দৈৰ্ঘ্যৰ আৰু ১০-১৫ চেণ্টিমিটাৰ ওখকৈ বীজতলী প্ৰস্তুত কৰক।

৩। ১০ বৰ্গমিটাৰ আকাৰ এখন বীজতলীৰ বাবে ২০ কিলোগ্ৰাম বালি আৰু ২০ কিলোগ্ৰাম ভালদৰে চালি লোৱা শুকান পচনসাৰ মিহলাই লওক।

৪। লেৰেলি যোৱা বেমাৰৰ দৰে মাটিত সৃষ্টি হোৱা বেমাৰৰ পৰা পুলিবোৰ ৰক্ষা কৰিব ০.১ শতাংশ কেপ্টান বা ফাইটোলান নাইবা ৪ শতাংশ ফৰমেলিন মিশ্ৰণেৰে বীজতলীখন ১০-১৫ চেণ্টিমিটাৰ গভীৰতালৈ ভালদৰে তিতি যোৱাকৈ প্ৰয়োগ কৰক।

৫। এনেদৰে দৰব প্ৰয়োগ কৰাৰ পাছত বীজতলীখন পলিথিন বা বস্তাৰে দুদিনলৈ ঢাকি থওক।

৬। দুদিনৰ পাছত ঢাকনি গুচাই বীজতলীৰ মাটিবোৰ ঢিলা কৰি ৩-৪ দিনলৈ তেনেদৰে ৰাখক।

৭। বীজত থকা বেমাৰৰ পৰা হাত সাৰিবলৈ প্ৰতি কিলোগ্ৰাম শুকান পিঁয়াজৰ গুটি ৩ গ্ৰাম কেপটাফ বা থিৰাম দৰবেৰে শোধন কৰক।

৮। মাটিত থকা পোক-পৰুৱাৰ আক্ৰমণৰ পৰা কঠীয়াবোৰ ৰক্ষা কৰিবলৈ প্ৰতি ১০ বৰ্গমিটাৰ বীজতলীত ২০ গ্ৰাম মালাথিয়ন গুড়ি ঔষধ মিহলাই দিয়ক।

৯। বীজবোৰ ইংৰাজী 'ইউ' আকৃতিৰ শিৰলুত ২.৫ চেণ্টিমিটাৰ ব্যৱধানত, ১-২ চেণ্টিমিটাৰ গভীৰতাত সিঁচক। সিঁচাৰ লগে লগে বালি আৰু চালি লোৱা শুকান গোবৰৰ গুড়িৰ মিশ্ৰণেৰে পাতলকৈ বীজবোৰ ঢালি দিয়ক। বীজতলীৰ উপৰিভাগ সমান কৰি দিয়ক।

১০। বীজতলীখনৰ উপৰিভাগৰ মাটিবোৰ ইফাল-সিফল নোহোৱাকৈ ঝাৰিকেনৰে পানী চটিয়াই দিয়ক।

১১। সিঁচা বীজবোৰৰ স্থান লৰচৰ নহ'বলৈ বীজতলীখনৰ উপৰিভাগ খেৰ, কলপাত নাইবা শুকান ঘাঁহেৰে পাতলকৈ ঢাকি



দিয়ক। বিজবোৰে গজালি মেলাৰ লগে লগে এইবোৰ আঁতৰাই দিয়ক।

১২। পুলিবোৰৰ বয়স ৩০/৩৫ দিন হোৱাৰ লগে লগে বা ইহঁতৰ উচ্চতা ১০-১৫ ছেণ্টিমিটাৰ হোৱাৰ লগে লগে মূল পথাৰত ৰোৱাৰ বাবে উপযুক্ত হয়।

১৩। পুলি বা কঠীয়াবোৰ টান হ'বলৈ তোলাৰ ৭ দিনৰ আগৰে পৰা পানী যোগন লাহে লাহে কমাই আনক।

১৪। কঠিয়া তোলাৰ সময়ত পুলিটোৰ প্ৰায় সকলো শিপা পুলিটোৰ সৈতে উঠি আহিব পৰাকৈ কঠীয়া তোলাৰ ৬ ঘণ্টা আগেয়ে কঠীয়াতলীখন পানীৰে ভালদৰে তিয়াই দিয়ক।

১৫। পুলিবোৰত ছাঁ পৰিবলৈ নিদিব। পৰ্যাপ্ত পৰিমাণে সূৰ্যৰ পোহৰ পৰাৰ ব্যৱস্থা কৰক।

## পথাৰ প্ৰস্তুতি

পথাৰখন খুব মিহিকৈ চহ কৰক। পথাৰ প্ৰস্তুতিৰ সময়ত শুকান গোবৰ বা পচন সাৰ প্ৰয়োগ কৰক।

## বীজৰ পৰিমাণ

কঠীয়া ৰুঁই কৰা খেতিৰ ক্ষেত্ৰত প্ৰতি বিঘাত ১.৩-১.৬ কিলোগ্ৰাম। বীজ সিঁচি কৰা খেতিৰ ক্ষেত্ৰত প্ৰতি বিঘাত ২.৬-৩.০ কিলোগ্ৰাম।

## বীজ সিঁচা সময়

চেপ্টেম্বৰ মাহৰ শেষ সপ্তাহৰ পৰা অক্টোবৰ মাহৰ মাজভাগলৈ। পাৰ্বত্য অঞ্চলৰ ক্ষেত্ৰত অক্টোবৰ মাহৰ শেষ সপ্তাহত কঠীয়া ৰোৱা উচিত।

## বীজ সিঁচা/ৰোপণ কৌশল

**১। সিঁচা পদ্ধতি ঃ** আগতে ভালদৰে প্ৰস্তুত কৰি থোৱা পথাৰত বীজবোৰ শাৰীকৈ সিঁচিব লাগে। সিঁচাৰ ৬.৮ সপ্তাহ পাছত উপযুক্ত ব্যৱধান ৰাখি গছবোৰ পাতলাই দিব লাগে। চৰ অঞ্চল বা নৈৰ মাজৰ চাপৰি অঞ্চল এনে পদ্ধতিৰে খেতি কৰাৰ বাবে অধিক উপযোগী।

**২। কঠীয়া ৰোৱা ঃ** শুকান বা বোকা কৰা মূল পথাৰত ৬-৮ সপ্তাহ হোৱা কঠীয়া ৰুব লাগে। শুকান পথাৰৰ ক্ষেত্ৰত কঠীয়া ৰোপণৰ ঠিক পাছতেই জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। কঠীয়াবোৰ ২-৩ ছেণ্টিমিটাৰ গভীৰতাত ৰোৱা উচিত।

## ব্যৱধান

দুটা শাৰীৰ মাজত ২০ ছেণ্টিমিটাৰ আৰু দুডাল কঠীয়াৰ মাজত ১০ ছেণ্টিমিটাৰ।

## সাৰ প্ৰয়োগ

প্ৰতি বিঘা মাটিত ২.৬ টন পচন সাৰ, ১৭.৬ কিলোগ্ৰাম ইউৰিয়া, ৪১.৬৬ কিলোগ্ৰাম একক ছুপাৰ ফচফেট আৰু ১১.০ কিলোগ্ৰাম মিউৰিয়েট অৱ পটাছ সাৰৰ প্ৰয়োজন। পথাৰ প্ৰস্তুতিৰ সময়ত ১১.৬৬ কিলোগ্ৰাম ইউৰিয়া সাৰ আৰু সমুদায় একক ছুপাৰ ফচফেট আৰু পটাছ সাৰ মাটিত প্ৰয়োগ কৰক। কঠীয়া ৰোৱাৰ ৩০-৪০ দিনৰ পাছত ২.৮৬ কিলোগ্ৰাম ইউৰিয়া সাৰ টপড্ৰেচ হিচাপে আৰু ৬০-৭০ দিন পাছত বাকী থকা ২.৮৬ কিলোগ্ৰাম ইউৰিয়া সাৰ ফ'লিয়াৰ স্প্ৰে' হিচাপে প্ৰয়োগ কৰক। পাৰ্বত্য অঞ্চলৰ বাবে প্ৰতি বিঘা পিঁয়াজ খেতি ৩৫.২ কিলোগ্ৰাম ইউৰিয়া, ৬৬.২৫ কিলোগ্ৰাম একক ছুপাৰ ফচফেট আৰু ১৭.৭ কিলোগ্ৰাম মিউৰিয়েট অৱ পটাছ সাৰ প্ৰয়োগৰ অনুমোদন জনোৱা হৈছে।

## প্ৰতিপালন

(ক) জলসিঞ্চন ঃ পিঁয়াজৰ কঠীয়া ৰোৱাৰ পৰা চপোৱালৈকে এই সময়ছোৱাত ৭ দিনৰ অন্তৰে অন্তৰে ১০-১৫ বাৰ জলসিঞ্চন কৰিব লাগে। পিঁয়াজৰ কাণ্ড ধৰাৰ সময়ছোৱাত জলসিঞ্চনে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। চপোৱাৰ ১৫ দিন আগৰ পৰা খেতিডৰাত পানী যোগন বন্ধ কৰা উচিত।

(খ) বন-বাত নিৰণিঃ খেতিডৰাত বন-বাত নহ'বলৈ প্ৰতি বিঘাত ৬০ গ্ৰাম এক্টিভ অনগ্ৰেডিয়েণ্টৰ বাচালিন

নামৰ অপতৃণনাশক দৰৱ কঠীয়া ৰোৱাৰ আগতে পথাৰত প্ৰয়োগ কৰক। কঠীয়া ৰোৱাৰ ৪০ দিনৰ পাছত হাতেৰে বন-বাত নিৰাই দিয়ক।

## শস্যৰক্ষা

১। থ্ৰিপ্‌চঃ ০.২ শতাংশ মালাথিয়ন ৫০ ইচি দৰৱ প্ৰতি লিটাৰ পানীত ২.০ মিলিলিটাৰ মিহলাই প্ৰয়োগ কৰক। এবিঘা মাটিৰ বাবে এই দৰৱ ৫০ লিটাৰ প্ৰয়োজন।


## শস্য চপোৱা

ৰোৱাৰ পৰা ৩-৪ মাহৰ ভিতৰত পিঁয়াজ পূৰ্ঠ হয়। খেতিডৰাৰ ৭০ শতাংশ গছ শুকাবলৈ লোৱাৰ সময়তে চপাবলৈ আৰম্ভ কৰক। বৰষুণৰ বতৰত পিঁয়াজ চপোৱা উচিত নহয়। চপোৱাৰ ১০-১৫ দিনৰ আগেয়ে পিঁয়াজৰ গছবোৰৰ ঠাৰি ভাঙি দিলে পিঁয়াজৰ কণ্ডবোৰ শুকোৱাত সহায় হয়। পিঁয়াজবোৰ উঠোৱাৰ পাছত পথাৰতে ছাঁত শুকোৱাৰ ব্যৱস্থা কৰা উচিত। উঠোৱাৰ সময়ত আঘাতপ্ৰাপ্ত বা বেয়া পিঁয়াজবোৰ ভাল পিঁয়াজবোৰৰ পৰা আঁতৰাই পেলোৱা উচিত। সংৰক্ষণৰ সময়ত পিঁয়াজবোৰ মুঠা বান্ধি ৰচীত ওলোমাই থওক। ইয়াৰ উপৰি, দীৰ্ঘসময়ৰ বাবে পিঁয়াজ সংৰক্ষণ কৰিবলৈ হ'লে পকা মজিয়াৰ ওপৰত শুকান বালিৰ ৫ চেণ্টিমিটাৰ তৰপৰ ওপৰত মেলি থোৱা উচিত।



### উন্নত কৃষি পদ্ধতিৰে

# পিঁয়াজৰ খেতি



উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসম
খানাপাৰা, গুৱাহাটী-২২

**Directorate of Horticulture & Food Processing, Assam**
Khanapara, Guwahati - 22